# প্ৰেছবাৰ্তাঃ-

## ২৪ বছৰে প্ৰাদেশীকৃত নোহোৱা বিজ্ঞান শাখা প্ৰাদেশীকৃত কৰাৰ দাবী শিক্ষামন্ত্ৰীক প্ৰাক্তন শিক্ষাৰ্থী সংস্থাৰ, মাৰ্ঘেৰিটা মহাবিদ্যালয়ত কেম্পাছ নিযুক্তি ড্ৰাইভ

মাৰ্ঘেৰিটা, ১১মেঃ-

মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী সন্থাৰ সহযোগত মাৰ্ঘেৰিটা কলেজৰ প্লেচমেণ্ট চেলৰ উদ্যোগত আজি মহাবিদ্যালয়ৰ প্ৰাংগণত 'কেম্পাছ নিযুক্তি ড্ৰাইভ' অনুষ্ঠিত হয়। বিশেষকে বেঙ্কিং প্ৰতিষ্ঠান সমূহত শিক্ষিত নিবনুৱা যুৱক যুৱতী সকলক নিযুক্তি দিয়াৰ উদেশ্য অনুষ্ঠিত আজিৰ অনুষ্ঠানত অৰ্ধশতাধিক শিক্ষিত যুৱক যুৱতিয়ে অংশগ্ৰহণ কৰে। অন্যহাতে মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ অতনু কাকতিৰ সৈতেও প্ৰাক্তন শিক্ষাৰ্থী সংস্থা সভাপতি সম্পাদক প্ৰমুখ্যে সদস্য সকলৰ উপস্থিত মহাবিদ্যালয় খনৰ কেইবাটাও আন্তাঃগঠনি সম্পৰ্কীয় আৰু দীৰ্ঘদিন ধৰি মহাবিদ্যালয়খনৰ বিজ্ঞান শাখাটো অসম চৰকাৰে প্ৰাদেশিকীকৰণৰ আওতালৈ ননা বিষয়টো কিদৰে সমাধান কৰিব পাৰি সেই সন্দৰ্ভতো আলোচনা কৰা হয়। আজি এই আলোচনাত প্ৰাক্তন শিক্ষাৰ্থী সংস্থাৰ সভাপতি মোলেন বৰুৱা, সম্পাদক মানস প্ৰতিম গগৈ, সহকাৰী সম্পাদক চিন্তু গগৈ, শিক্ষক সমন্বয়ক অঞ্জন বৰদলৈ, কাৰ্য্যনিৰ্বাহক সদস্য নিলাভ জ্যোতি কোঁৱৰৰ উপস্থিত থাকে। আলোচনাৰ পাছতেই সংস্থাৰ বিষয়ববীয়া সকলে বিজ্ঞান শাখা সমূহ পৰিদৰ্শন কৰি বিজ্ঞান শাখাৰ সমস্যা সমূহ বুজ লবলে চেষ্টা কৰে। তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা অঞ্চলৰ উচ্চ শিক্ষাৰ অনুষ্ঠান মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ বিজ্ঞান শাখাটো ২৪ বছৰে প্ৰাদেশিকীকৰণৰ পৰা বঞ্চিত হৈ আছে। মহাবিদ্যালয়খনৰ কলা আৰু বাণিজ্য শাখা দুটা প্ৰাদেশীকৃত হ'ল যদিও ১৯৯৮ চনতে উচ্চতৰ মাধ্যমিক আৰু ২০০০ চনত স্নাতক শ্ৰেণী আৰম্ভ হোৱা বিজ্ঞান শাখাটোৰ জৰিয়তে মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ লগতে কাষৰীয়া অৰুণাচল প্ৰদেশৰ ছাত্ৰ-ছাত্ৰীকো উপকৃত কৰি আহিছে । ফলাফল দিশৰ পৰাও প্ৰায় প্ৰতি বছৰে সন্তোষজনক ফলাফল প্ৰদৰ্শন কৰি আহিছে। তৎসত্ত্বেও বিজ্ঞান শাখাটো অসম চৰকাৰে প্ৰাদেশিকীকৰণৰ আওতালৈ ননাত তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে প্ৰাক্তন শিক্ষাৰ্থী সংস্থাই। কুৰিজনৰো অধিক শিক্ষকে শিক্ষাদান কৰি অহা কলেজখনৰ বিজ্ঞান শাখাটো শীঘ্ৰে প্ৰাদেশিকীকৰণৰ দাবী জনায়। উল্লেখ্য যে পূৰ্বৰ কংগ্ৰেছ চৰকাৰ আৰু বৰ্তমানৰ বিজেপি নেতৃত্বাধীন চৰকাৰখনে মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ বিজ্ঞান শাখাটো প্ৰাদেশিকীকৰণ কৰা হ'ব বুলি নিৰ্বাচনৰ পূৰ্বে বা বিভিন্ন সভা সমিতিত নেতা মন্ত্ৰীয়ে কৈ আহিছে যদিও সকলো ফুটকাৰ ফেনলৈ ৰূপান্তৰিত হৈছে। অনতিপলমে বিজ্ঞান শাখাটো প্ৰাদেশিকীকৰণৰ বাবে অসমৰ শিক্ষামন্ত্ৰী ডঃ ৰনুজ পেগুক দাবী জনাইছে প্ৰাক্তন শিক্ষাৰ্থী সন্থাৰ সাধাৰণ সম্পাদক মানস প্ৰতিম গগৈয়ে। বৃহত্তৰ অঞ্চলটোৰ একমাত্ৰ বিজ্ঞান শিক্ষাৰ উচ্চ শিক্ষা অনুষ্ঠানটো প্ৰাদেশিকীকৰণৰ জৰিয়তে স্থায়ীকৰণৰ দাবী উত্থাপন কৰি সংবাদমাধ্যমলৈ আজি এক প্ৰেছটোকা প্ৰেৰণ কৰে প্ৰাক্তন শিক্ষাৰ্থী সংস্থাই।

বিঃদ্ৰঃ- লগত ফটো দিয়া হ'ল।


CAMPUS RECRUITMENT DRIVE
ORGANIZED BY
PLACEMENT CELL, MARGHERITA COLLEGE
&
MARGHERITA COLLEGE ALUMNI ASSOCIATION
in collaboration with
SATIN CREDITCARE NETWORK LTD.
Date of Interview: 11th May 2024
Time : 10 AM onwards
Venue : Room No. 20, Margherita College
May 11, 2024, 12:51


CAMPUS RECRUITMENT DRIVE
ORGANIZED BY
PLACEMENT CELL, MARGHERITA COLLEGE
&
MARGHERITA COLLEGE ALUMNI ASSOCIATION
in collaboration with
SATIN CREDITCARE NETWORK LTD.
Date of Interview: 11th May 2024
Time : 10 AM onwards
Venue : Room No. 20, Margherita College
May 11, 2024, 12:51




CAMPUS RECRUITMENT DRIVE
ORGANIZED BY
PLACEMENT CELL, MARGHERITA COLLEGE
&
MARGHERITA COLLEGE ALUMNI ASSOCIATIO
in collaboration with
SATIN CREDITCARE NETWORK LT
Date of Interview: 11th May
Time : 10 AM onward
Venue : Room No. 20, Marghe



তথা দোষীয়ে শাস্তি নাপালে আৰক্ষী প্ৰশাসনৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী তীব্ৰতৰ হৈ উঠিব।

### মাৰ্ঘেৰিটা মহাবিদ্যালয়ত কেম্পাছ নিযুক্তি

# শিক্ষা মন্ত্ৰীক বিজ্ঞান শাখা প্ৰাদেশিকীকৰণৰ দাবী প্ৰাক্তন শিক্ষাৰ্থী সংস্থাৰ

...দিন বিশেষ সংবাদ, মাৰ্ঘেৰিটা, ১১ মে' ঃ মাৰ্ঘেৰিটা ...বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী সংস্থাৰ সহযোগত মাৰ্ঘেৰিটা ...ৰ প্লেচমেণ্ট চেলৰ উদ্যোগত আজি মহাবিদ্যালয়ৰ ...ত 'কেম্পাছ নিযুক্তি ড্ৰাইভ' অনুষ্ঠিত হয়। বিশেষকৈ ...ক প্ৰতিষ্ঠানসমূহত শিক্ষিত নিবনুৱা যুৱক-...তীসকলক নিযুক্তি দিয়াৰ উদ্দেশ্যে অনুষ্ঠিত আজিৰ ...নত অৰ্ধশতাধিক শিক্ষিত যুৱক-যুৱতীয়ে অংশগ্ৰহণ ...ে। আনহাতে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° অতনু ...িৰ সৈতেও প্ৰাক্তন শিক্ষাৰ্থী সংস্থাৰ সভাপতি-...ক প্ৰমুখ্যে সদস্যসকলৰ উপস্থিতি মহাবিদ্যালয়খনৰ ...টাও আন্তঃগাঁথনি সম্পৰ্কীয় আৰু দীৰ্ঘদিন ধৰি ...বিদ্যালয়খনৰ বিজ্ঞান শাখাটো অসম চৰকাৰে ...শিকীকৰণৰ আওতালৈ ননা বিষয়টো কিদৰে সমাধান ...ৰ পাৰে, সেই সন্দৰ্ভতো আলোচনা কৰা হয়। আজি ...আলোচনাত প্ৰাক্তন শিক্ষাৰ্থী সংস্থাৰ সভাপতি মোলেন ..., সম্পাদক মানসপ্ৰতিম গগৈ, সহকাৰী সম্পাদক ... গগৈ, শিক্ষক সমন্বয়ক অঞ্জন বৰদলৈ, কাৰ্যনিৰ্বাহক ... নীলাভজ্যোতি কোঁৱৰ উপস্থিত থাকে। আলোচনাৰ পাচতেই সংস্থাৰ বিষয়ববীয়াসকলে বিজ্ঞান শাখাসমূহ পৰিদৰ্শন কৰি বিজ্ঞান শাখাৰ সমস্যাসমূহ বুজ ল'বলৈ চেষ্টা কৰে।

তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা অঞ্চলৰ উচ্চ শিক্ষাৰ অনুষ্ঠান মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ বিজ্ঞান শাখাটো ২৪ বছৰে প্ৰাদেশিকীকৰণৰ পৰা বঞ্চিত হৈ আছে। মহাবিদ্যালয়খনৰ কলা আৰু বাণিজ্য শাখা দুটা প্ৰাদেশীকৃত হ'ল যদিও ১৯৯৮ চনতে উচ্চতৰ মাধ্যমিক আৰু ২০০০ চনত স্নাতক শ্ৰেণী আৰম্ভ হোৱা বিজ্ঞান শাখাটোৰ জৰিয়তে মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ লগতে কাষৰীয়া অৰুণাচল প্ৰদেশৰ ছাত্ৰ-ছাত্ৰীকো উপকৃত কৰি আহিছে। প্ৰতি বছৰে সন্তোষজনক ফলাফলো প্ৰদৰ্শন কৰি আহিছে। তৎসত্ত্বেও বিজ্ঞান শাখাটো অসম চৰকাৰে প্ৰাদেশিকীকৰণৰ আওতালৈ ননাত তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে প্ৰাক্তন শিক্ষাৰ্থী সংস্থাই। কুৰিজনৰো অধিক শিক্ষকে শিক্ষাদান কৰি অহা কলেজখনৰ বিজ্ঞান শাখাটো শীঘ্ৰে প্ৰাদেশিকীকৰণৰ দাবী জনায়। উল্লেখ্য যে পূৰ্বৰ কংগ্ৰেছ চৰকাৰ আৰু বৰ্তমানৰ বিজেপি নেতৃত্বাধীন চৰকাৰখনে মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ বিজ্ঞান শাখাটো প্ৰাদেশিকীকৰণ কৰা হ'ব বুলি নিৰ্বাচনৰ পূৰ্বে বা বিভিন্ন সভা-সমিতিত নেতা-মন্ত্ৰীয়ে কৈ আহিছে যদিও সকলো ফুটুকাৰ ফেন হৈছে। অনতিপলমে বিজ্ঞান শাখাটো প্ৰাদেশিকীকৰণৰ বাবে অসমৰ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুক দাবী জনাইছে প্ৰাক্তন শিক্ষাৰ্থী সংস্থাৰ সাধাৰণ সম্পাদক মানসপ্ৰতিম গগৈয়ে। বৃহত্তৰ অঞ্চলটোৰ একমাত্ৰ বিজ্ঞান শিক্ষাৰ উচ্চ শিক্ষা অনুষ্ঠানটো প্ৰাদেশিকীকৰণৰ জৰিয়তে স্থায়ীকৰণৰ দাবী উত্থাপন কৰি সংবাদ মাধ্যমলৈ আজি এক বিবৃতি প্ৰেৰণ কৰে প্ৰাক্তন শিক্ষাৰ্থী সংস্থাই।

### বিয়াৰ অভ্যৰ্থনাৰ খাদ্যত বিষক্ৰিয়া

## বোকাখাতত শিশু-মহিলাসহ ৫ গৰাকী চিকিৎসাধীন

**প্ৰতিদিন সেৱা, বোকাখাত, ১১ মে' ঃ** বোকাখাতত বিবাহৰ অভ্যৰ্থনাৰ খাদ্য গ্ৰহণ কৰি বিষক্ৰিয়াত আক্ৰান্ত হৈ চিকিৎসাধীন হ'বলগা হৈছে শিশুসহ ৫ গৰাকী মহিলা। প্ৰাপ্ত খবৰ অনুসৰি যোৱা ৯ মে'ত বোকাখাত পৌৰসভাৰ ১ নং ৱাৰ্ডৰ ৰবি দাস নামৰ ব্যক্তিগৰাকীৰ কন্যাৰ বিবাহৰ অভ্যৰ্থনাৰ খাদ্য গ্ৰহণ কৰিছিল এইসকল মহিলা আৰু শিশুৱে। খাদ্যৰ পৰা হোৱা বিষক্ৰিয়াৰ ফলত এটি শিশুসহ ৫ গৰাকী মহিলা বৰ্তমান বোকাখাতৰ ছহিদ কমলা মিৰি মহকুমাৰ অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। আক্ৰান্তসকলে জনোৱা অনুসৰি প্ৰথমে পেট খামুচি ধৰাৰ পিচতে তেওঁলোকৰ ঘনাই শৌচ হ'বলৈ আৰম্ভ হয়। উপায়হীন হৈ আক্ৰান্তসকল ১০ মে'ত বোকাখাত চিকিৎসালয়ত

